**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-06-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

এয়াৰ ইণ্ডিয়াই কালি আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ২৪১ গৰাকী আৰোহীৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰিছে। বিশ্বাস কুমাৰ ৰমেশ নামৰ এজন লোক দুৰ্ঘটনাত দৈৱক্ৰমে ৰক্ষা পৰিছে। বয়িং 787-8 শ্ৰেণীৰ বিমানখনত ২৪২ গৰাকী যাত্ৰী আৰু চালক দলৰ সদস্য আছিল। বিমানখনত ১৬৯ গৰাকী ভাৰতীয়, ৫৩ গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক আছিল। আন ১২ গৰাকী লোকৰ ভিতৰত দুগৰাকী পাইলট আৰু চালক দলৰ ১০ জন সদস্য আছিল। দুৰ্ঘটনাগ্ৰস্ত স্থানৰো কেইবাগৰাকীও লোক নিহত হোৱা বুলি জানিব পৰা গৈছে। গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা বিজয় ৰূপানিয়ে দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে। বিমানখনৰ পাইলটগৰাকীয়ে দিনৰ ১ বাজি ৩৯ মিনিটত উৰা মৰাৰ ঠিক পাছতেই পূৰ্ণ জৰুৰী অৱস্থা ঘোষণা কৰি বিপৰ্যয়ৰ বাৰ্তা প্ৰেৰণ কৰিছিল।

বিমান দুৰ্ঘটনা তদন্ত সংস্থা এ এ আই বিয়ে আহমেদাবাদ বিমান দুৰ্ঘটনাৰ আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে কৈছে, যে আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থাই ধাৰ্য কৰা আন্তঃৰাষ্ট্ৰীয় নিয়ম অনুযায়ী দুৰ্ঘটনাৰ তদন্ত কৰা হ'ব। তেওঁ কয়, যে চৰকাৰে বিষয়টো বিশদভাৱে চালিজাৰি চোৱাৰ বাবে বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞক লৈ এখন উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰাৰ কথা বিবেচনা কৰিছে। কমিটীখনে বিমান পৰিবহণ নিৰাপত্তা শক্তিশালী কৰা আৰু ভৱিষ্যতে এনে ধৰণৰ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে কাম কৰিব।

টাটা গোটৰ অধ্যক্ষ এম চন্দ্ৰশেখৰণে এই শোকাৱহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়ালবৰ্গলৈ কোম্পানীয়ে ১ কোটি টকাকৈ সাহায্য আগবঢ়াব বুলি ঘোষণা কৰিছে। তেওঁ লগতে টাটা গোটে এই দুৰ্ঘটনাত আহত হোৱা লোকসকলৰ চিকিৎসা ব্যয় বহন কৰিব আৰু তেওঁলোকে যাতে পূৰ্ণ পৰিচৰ্যা লাভ কৰে সেয়া সুনিশ্চিত কৰিব। টাটা গোটে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা বি জে চিকিৎসা মহাবিদ্যালয়ত এটা নতুন হোষ্টেল নিৰ্মাণত সহায় কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

শ্ৰীলংকাৰ কলম্বোত ভাৰতীয় উচ্চায়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ কালি প্ৰথমবাৰৰ বাবে উদযাপন কৰা হয়। দিনজোৱা কাৰ্যসূচীৰে পালন কৰা এই অনুষ্ঠানত মহাপুৰুষজনাৰ এটি বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰা হয়। কেন্দ্ৰটোৰ পৰিচালক আৰু প্ৰথম সঞ্চালক, অধ্যাপক অংকুৰণ দত্তৰ উদ্যোগ আৰু পৰিকল্পনাত অধ্যাপক উপুল ৰঞ্জিতে হেৱাৰিটানগমগেয়ে সিংহলী ভাষালৈ অনুবাদ কৰা 'উঠৰে উঠ বাপু গোপাল হে' বৰগীতটো অচিথ

আট্টাপাট্টুৱে পৰিৱেশন কৰে। আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে শ্ৰী জয়বৰ্ধনপুৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক গামিনী ৰাণাসিংহই অসমীয়া সমাজৰ আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে নামঘৰ আৰু ইয়াৰ স্থপতি শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ অৱদানৰ বিষয়ে ভাষণ দিয়ে। এই অনুষ্ঠানত শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ শৈক্ষিক বিষয়া সঞ্জীৱনী বিদ্যাৰত্নই মাজুলীৰ সত্ৰ সংস্কৃতিৰ বিষয়ে তেওঁৰ অভিজ্ঞতা ব্যক্ত কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ৰীলংকা ভ্ৰমণ কালত , সিংহলী ভাষাত বাণীবদ্ধ কৰা মহাপুৰুষ দুজনাৰ দুটি বৰগীত অধ্যাপক অংকুৰণ দত্তই প্ৰদৰ্শন কৰিছিল। বিগত ৫ শতিকাত মহাপুৰুষ মাধৱদেৱৰ প্ৰথমটো বৰগীত এই পদক্ষেপৰ জৰিয়তে কোনো বিদেশী ভাষালৈ অনুবাদ তথা পৰিৱেশন কৰা হয়।

০০০০০০০

অসমৰ ৰাজ্যসভাৰ দুয়োখন আসনতে এন ডি এৰ প্ৰাৰ্থীয়ে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিছে। ৰাজ্যসভাৰ খালী হোৱা আসন দুখনৰ বিপৰীতে অগপৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কনাড পুৰকায়স্থই মনোনয়ন দাখিল কৰিছিল। এই আসন দুখনৰ বাবে বিৰোধীয়ে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা দুয়োগৰাকী প্ৰাৰ্থীকে জয়ী হোৱা বুলি ৰাজ্যসভাৰ নিৰ্বাচনী বিষয়াই ঘোষণা কৰে। অসম বিধানসভাৰ প্ৰাংগণত থকা ৰাজ্যসভা নিৰ্বাচন পৰিচালন কাৰ্যালয়ৰ পৰা দুয়োগৰাকী প্ৰাৰ্থীয়ে কালি আনুষ্ঠানিকভাৱে জয়ৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে কাইলৈ ১৪ জুনত বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ সাংসদ মিছনৰঞ্জন দাসৰ কাৰ্য্যকাল ওকলি যাব।

০০০০০০০

ৰাজ্যৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ুৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে শিক্ষাবৰ্ষৰ দিন সলনি কৰিবলৈ চিন্তা-চৰ্চা কৰিছে বুলি শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে। পূৰ্বে অসমত জানুৱাৰীত আৰম্ভ হোৱা শিক্ষাবৰ্ষ কেন্দ্ৰীয় শিক্ষা ব'ৰ্ডৰ নীতি অনুযায়ী এপ্ৰিলৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও শেহতীয়াকৈ ৰাজ্যখনৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ পূৰ্বৰ শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ইতিমধ্যে শিক্ষা বিভাগে ৰাজ্যৰ শিক্ষাবিদসকলক লৈ এখন কমিটী গঠনৰ কাৰণে আগবাঢ়িছে। এই কমিটীখনে দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰা হ'ব।

০০০০০০০

**সমাপ্ত**